**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৪৮/২০২০**

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙনি

**দিছপুৰ, ০১ এপ্ৰিল ঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ আজিৰ দিনটোতো ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙনি আগবঢ়াই আছে। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱা ৫০ হাজাৰ টকাৰ এখন চেক অৰ্পণ কৰে। তদুপৰি, মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিয়ে ২ লাখ টকা, বজৰং ষ্টীল (ছেলছ্) কৰ্পৰেশ্যনে ২৫ লাখ টকা, প্ৰাক্তন বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱাই ৪০ হাজাৰ টকা, শ্ৰী শীতলা, শিৱ আৰু হনুমান মন্দিৰে ২৫ হাজাৰ টকা, গোপাল এণ্ড ব্ৰাডাৰ্ছে ৩১ হাজাৰ টকা আৰু কদমতলি সঞ্চয় আৰু ঋণ দান সমবায় সমিতি লিমিটেডে ২৫ হাজাৰ টকা, ড° টি আও জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে ২৫ হাজাৰ টকা, অসম ক্ৰীড়া সাংবাদিক সংস্থাই ২৫ হাজাৰ টকা, শ্ৰী গৌহাটী গোশালা ট্ৰাষ্টে ৫ লাখ টকা, শ্যামকানু মহন্তই ১ লাখ টকাৰ বৰঙনি আগবঢ়াইছে। ইয়াৰ উপৰি অসম আৰোগ্য নিধিলৈ বিধায়ক গুৰুজ্যোতি দাসে ৬০ হাজাৰ টকা, কামৰূপ মহানগৰ জিলা পৰিষদৰ বিষয়া-কৰ্মচাৰীসকলে ৩১,৫০০ টকা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলা শাখাই ৫০ হাজাৰ টকা আৰু ড° টি আও জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিয়ে ২৫ হাজাৰ টকাৰ বৰঙনি আগবঢ়াইছে। ইয়াৰ লগতে বিভিন্ন ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে অনলাইন যোগেও বৰঙনি আগবঢ়াই আছে।

**প্ৰঃকুঃবঃ**
**০১/০৪/২০২০**